মধুবন

‘‘*তন, মন, ধন আৰু সম্বন্ধৰ শক্তি*’’

আজি সৰ্বশক্তিমান পিতাই নিজৰ শক্তিশালী সন্তানসকলক চাই আছেহঁক। প্ৰতিগৰাকী ব্ৰাহ্মণ আত্মা শক্তিশালী হৈছে কিন্তু ক্ৰমানুসৰি। সৰ্ব শক্তি পিতাৰ উত্তৰাধিকাৰ আৰু বৰদাতাৰ বৰদান। পিতা আৰু বৰদাতা- এই দ্বৈত সম্বন্ধৰ দ্বাৰা প্ৰত্যেক সন্তানৰ এই শ্ৰেষ্ঠ প্ৰাপ্তি জন্মৰ পৰাই হয়। জন্মতেই পিতাই সৰ্ব শক্তিৰ অৰ্থাৎ জন্ম সিদ্ধ অধিকাৰৰ অধিকাৰী কৰি দিয়ে, লগতে বৰদাতাৰ হিচাপত জন্ম হওঁতেই মাষ্টৰ সৰ্বশক্তিমান কৰি ‘সৰ্ব শক্তি ভৰ’ৰ বৰদান দি দিয়ে। সকলো সন্তানে এজনৰ দ্বাৰা একেই দ্বৈত অধিকাৰ প্ৰাপ্ত কৰে কিন্তু ধাৰণ কৰাৰ শক্তিয়ে ক্ৰমানুসৰি কৰি দিয়ে। পিতাই সকলোকে সদাকালৰ বাবে সৰ্ব শক্তিশালী কৰি তোলে কিন্তু সন্তানসকল যথা-শক্তিৰ হৈ যায়। এনেও লৌকিক জীৱনতেই হওঁক বা অলৌকিক জীৱনতেই হওঁক সফলতাৰ আধাৰ শক্তিসমূহেই হয়। যিমান শক্তি, সিমানেই সফলতা। মুখ্য শক্তি হৈছে - তন, মন, ধন আৰু সম্বন্ধৰ। চাৰিওটিয়েই আৱশ্যক। যদি এই চাৰিওটিৰ ভিতৰত এটা শক্তিও কম হয় তেন্তে জীৱনত ‘সদায়’ আৰু ‘সৰ্ব’ সফলতা নহয়। অলৌকিক জীৱনতো চাৰিওটি শক্তিৰেই আৱশ্যক।

এই অলৌকিক জীৱনত আত্মা আৰু প্ৰকৃতি দুয়োটিৰে সুস্থতাৰ আৱশ্যক। যেতিয়া আত্মা সুস্থ হয় তেতিয়া শৰীৰৰ হিচাপ-নিকাচ বা শৰীৰৰ ৰোগ শূলৰ পৰা কাঁইট হৈ যোৱাৰ কাৰণে, স্ব-স্থিতিৰ কাৰণে সুস্থ অনুভৱ কৰে। তেওঁলোকৰ মুখত, চেহেৰাত বেমাৰৰ কষ্টৰ চিহ্ন নাথাকে। মুখৰে কেতিয়াও বেমাৰৰ বৰ্ণনা নকৰে, কৰ্মভোগৰ বৰ্ণনাৰ সলনি কৰ্মযোগৰ স্থিতিৰ বৰ্ণনা কৰে কিয়নো বেমাৰৰ বৰ্ণনায়ো বেমাৰ বৃদ্ধি কৰাৰ কাৰণ হৈ যায়। তেওঁলোকে কেতিয়াও বেমাৰৰ কষ্টৰ অনুভৱ নকৰিব, আৰু আনক কষ্টৰ কথা শুনাই কষ্টৰ লহৰ বিয়পাই নিদিব। আৰু বেছিকৈহে পৰিৱৰ্তন শক্তিৰে কষ্টক সন্তুষ্টিলৈ পৰিৱৰ্তন কৰি সন্তুষ্ট হৈ থাকি আনৰ মাজতো সন্তুষ্টিৰ লহৰ বিয়পাব অৰ্থাৎ মাষ্টৰ সৰ্বশক্তিমান হৈ শক্তিসমূহৰ বৰদানৰ পৰা সময় অনুযায়ী সহন শক্তি, সমাহিত কৰাৰ শক্তি প্ৰয়োগ কৰিব আৰু সময়ত শক্তিসমূহৰ বৰদান বা উওৰাধিকাৰ কাৰ্যত অনা - এয়াই তেওঁলোকৰ কাৰণে বৰদান অৰ্থাৎ আশীৰ্বাদে দৰৱৰ কাম কৰিব কিয়নো সৰ্বশক্তিমান পিতাৰ দ্বাৰা যি সৰ্ব শক্তি প্ৰাপ্ত হৈছে সেয়া যেনেকুৱা পৰিস্থিতি, যেনেকুৱা সময় আৰু যিটো বিধিৰ দ্বাৰা তোমালোকে কাৰ্যত লগাব বিচৰা, তেনেকুৱা ৰূপতেই এই শক্তিসমূহ তোমালোকৰ সহযোগী হ’ব পাৰে। এই শক্তিসমূহক বা প্ৰভূ–বৰদানক যিটো ৰূপতেই বিচৰা সেইটো ৰূপ ধাৰণ কৰিব পাৰে। এতিয়াই শীতলতাৰ ৰূপত, জ্বলোৱাৰ ৰূপত। পানীৰ শীতলতাও অনুভৱ কৰাব পাৰে আৰু জুই জ্বলোৱাৰো অনুভৱ কৰাব পাৰে; দৰৱৰ কামো কৰিব পাৰে আৰু শক্তিশালী কৰি তোলাৰ ‘টনিক’ৰ কামো কৰিব পাৰে। কেৱল সময়ত কাৰ্যত লগোৱাৰ হৰ্তা-কৰ্তা হোৱা। এই সৰ্বশক্তিসমূহ তোমালোক মাষ্টৰ সৰ্বশক্তিমানসকলৰ সেৱাধাৰী হয়। যেতিয়াই যাক আদেশ দিয়া, তেওঁ ‘হয় হুজুৰ’ বুলি কৈ সহযোগী হ’ব কিন্তু সেৱা লোৱাসকলো ইমান বুধিয়ক হ’ব লাগে। গতিকে শৰীৰৰ শক্তি আত্মিক শক্তিৰ আধাৰত সদায় অনুভৱ কৰিব পাৰা অৰ্থাৎ সদায় সুস্থ হৈ থকাৰ অনুভৱ কৰিব পৰা।

এই অলৌকিক ব্ৰাহ্মণ জীৱন হয়েই সদায় সুস্থ জীৱন। বৰদাতাৰ পৰা ‘সদায় সুস্থ হোৱাৰ’ বৰদান পাইছা। বাপদাদাই লক্ষ্য কৰে যে প্ৰাপ্ত হোৱা বৰদানক বহুত সন্তানে সময়ত কাৰ্যত লগাই লাভ ল’ব নোৱাৰে বা এনেকৈ কোৱা যে শক্তিসমূহ অৰ্থাৎ সেৱাধাৰীসকলৰ পৰা নিজৰ বিশালতা আৰু বিশাল বুদ্ধিৰ দ্বাৰা সেৱা ল’ব নোৱাৰে। ‘মাষ্টৰ সৰ্বশক্তিমান’- এইটো স্থিতি কোনো সাধাৰণ নহয়! এইটো শ্ৰেষ্ঠ স্থিতিও হয়, লগতে প্ৰত্যক্ষ ভাৱে পৰমাত্মাৰ দ্বাৰা পোৱা ‘পৰম উপাধি’ও হয়। উপাধিৰ নিচা কিমান থাকে! উপাধিয়ে কিমান কাৰ্য সফল কৰি দিয়ে! গতিকে এয়া পৰমাত্ম-উপাধি, ইয়াত কিমান আনন্দ আৰু শক্তি নিহিত হৈ আছে! যদি এই এটা উপাধিৰ স্থিতি ৰূপী আসনত অধিষ্ঠিত হৈ থাকা তেন্তে এই সৰ্বশক্তিসমূহ সেৱাৰ বাবে সদায় হাজিৰ অনুভৱ হ’ব, তোমালোকৰ আদেশৰ অপেক্ষাত থাকিব। গতিকে বৰদান আৰু উত্তৰাধিকাৰক কাৰ্যত লগোৱা। যদি মাষ্টৰ সৰ্বশক্তিমানৰ স্বমানত স্থিত নহয় তেন্তে শক্তিসমূহক আদেশ অনুসৰি চলোৱাৰ সলনি বাৰে বাৰে পিতাক অনুৰোধ জনাই থাকে যে এইটো শক্তি দি দিয়া, মোৰ এইটো কাৰ্য কৰাই দিয়া, এইটো হৈ যাওঁক, এনেকুৱা হৈ যাওঁক। গতিকে অনুৰোধ কৰোঁতা কেতিয়াও সদায় তৃপ্ত হৈ থাকিব নোৱাৰে। এটি কথা শেষ হ’ব অন্য এটি আৰম্ভ হৈ যাব। সেইবাবে মালিক হৈ, যোগযুক্ত হৈ যুক্তিযুক্ত সেৱা সেৱাধাৰীসকলৰ পৰা লৈ লোৱা তেতিয়া সদায় সুস্থতাৰ স্বতঃ

অনুভৱ কৰিবা। ইয়াকে কোৱা হয় শাৰীৰিক শক্তিৰ প্ৰাপ্তি।

এনেকৈয়ে মনৰ শক্তি অৰ্থাৎ শ্ৰেষ্ঠ সংকল্পৰ শক্তি। মাষ্টৰ সৰ্বশক্তিমানৰ প্ৰতিটো সংকল্পত ইমান শক্তি আছে যে যিটো সময়ত যি বিচৰা সেয়া কৰিব পাৰা আৰু কৰাবও পাৰা কিয়নো তেওঁলোকৰ সংকল্প সদায় শুভ, শ্ৰেষ্ঠ আৰু কল্যাণকাৰী হ'ব। গতিকে য'ত শ্ৰেষ্ঠ কল্যাণৰ সংকল্প আছে, সেয়া নিশ্চয় সিদ্ধ হয় আৰু মাষ্টৰ সৰ্বশক্তিমান হোৱাৰ কাৰণে মনে কেতিয়াও মালিকক প্ৰবঞ্চনা কৰিব নোৱাৰে, দুখৰ অনুভৱ কৰাব নোৱাৰে। মন একাগ্ৰ অৰ্থাৎ এটাই ঠিকনাত স্থিত হৈ থাকে, দিগভ্ৰান্ত হৈ ঘূৰি নুফুৰে। য'তে বিচৰা, যেতিয়া বিচৰা মনক ত'ত স্থিত কৰিব পাৰা। কেতিয়াও মন দুখী হ'ব নোৱাৰে, কিয়নো সেই সেৱাধাৰী দাস হৈ যায়। এয়া হৈছে মনৰ শক্তি যিটো অলৌকিক জীৱনত উত্তৰাধিকাৰ বা বৰদানৰ ৰূপত প্ৰাপ্ত হয়।

সেইদৰে তৃতীয়বিধ হৈছে ধনৰ শক্তি অৰ্থাৎ জ্ঞান-ধনৰ শক্তি। জ্ঞান-ধনে স্থূল ধনৰ প্ৰাপ্তি স্বতঃ কৰায়। য'ত জ্ঞান ধন আছে, ত'ত প্ৰকৃতি স্বতঃ দাসী হৈ যায়। এই স্থূল ধন প্ৰকৃতিৰ সাধনৰ বাবে। জ্ঞান- ধনৰ দ্বাৰা প্ৰকৃতিৰ সকলো সাধন স্বতঃ প্ৰাপ্ত হয় সেইবাবে জ্ঞান-ধন সকলো ধনৰ ভিতৰত ৰজা। য'ত ৰজা আছে, ত'ত সকলো পদাৰ্থ স্বতঃ প্ৰাপ্ত হয়, পৰিশ্ৰম কৰিবলগীয়া নহয়। যদি কোনো লৌকিক পদাৰ্থ প্ৰাপ্ত কৰাত পৰিশ্ৰম কৰিবলগীয়া হয় তেন্তে তাৰ কাৰণ জ্ঞান ধনৰ অভাৱ। বাস্তৱত, জ্ঞান-ধন পদমাপদমপতি কৰি তোলোঁতা হয়। পৰমাৰ্থই ব্যৱহাৰক স্বতঃ সিদ্ধ কৰায়। গতিকে পৰমাত্ম ধনৰ গৰাকীসকল পৰমাৰ্থী হৈ যায়। সংকল্প কৰাৰো আৱশ্যকতা নাই, স্বতঃ সকলো আৱশ্যকতা পূৰ্ণ হৈ থাকে। ধনৰ ইমান শক্তি আছে যে অনেক জন্ম এই জ্ঞান-ধনে ৰজাৰো ৰজা কৰি দিয়ে। গতিকে ধনৰো শক্তি সহজে প্ৰাপ্ত হৈ যায়।

সেইদৰে- সম্বন্ধৰ শক্তি। সম্বন্ধৰ শক্তি প্ৰাপ্তিৰ শুভ ইচ্ছা এইবাবেই হয় কিয়নো সম্বন্ধত স্নেহ আৰু সহযোগৰ প্ৰাপ্তি হয়। এই অলৌকিক জীৱনত সম্বন্ধৰ শক্তি দ্বৈত ৰূপত প্ৰাপ্ত হয়। এইটো জানানে, দ্বৈত সম্বন্ধৰ শক্তি কিদৰে প্ৰাপ্ত হয়? এক - পিতাৰ দ্বাৰা সৰ্ব সম্বন্ধ, দ্বিতীয়তে - দৈৱী পৰিয়ালৰ দ্বাৰা সম্বন্ধ। গতিকে দ্বৈত সম্বন্ধ হৈ গ'ল নহয় জানো - পিতাৰ লগতো আৰু পৰস্পৰৰ লগতো। গতিকে সম্বন্ধৰ দ্বাৰা সদায় নিঃস্বাৰ্থ স্নেহ, অবিনাশী স্নেহ আৰু অবিনাশী সহযোগ সদায় প্ৰাপ্ত হৈ থাকে। গতিকে সম্বন্ধৰো শক্তি আছে নহয়। এনেও পিতাই সন্তানৰ পৰা কি বিচাৰে অথবা সন্তানে পিতাকৰ পৰা কি বিচাৰে? সহযোগৰ বাবে, সময়ত সহযোগ প্ৰাপ্ত হওঁক। গতিকে এই অলৌকিক জীৱনত চাৰিওটি শক্তিৰ প্ৰাপ্তি বৰদানৰ ৰূপত, উত্তৰাধিকাৰী ৰূপত আছে। য'ত চাৰিও প্ৰকাৰৰ শক্তি প্ৰাপ্ত হয়, তেওঁৰ সকলো সময়তে স্থিতি কেনেকুৱা হ'ব? সদায় মাষ্টৰ সৰ্বশক্তিমান। এইটো স্থিতিৰ আসনত সদায় স্থিত হৈ থাকানে? ইয়াকেই অন্য কথাত নিজৰ ৰজা বা ৰাজযোগী বুলি কোৱা হয়। ৰজাসকলৰ ভঁৰাল সদায় ভৰপূৰ হৈ থাকে। গতিকে ৰাজযোগী অৰ্থাৎ সদায় শক্তিসমূহৰ ভঁৰাল ভৰপূৰ হৈ থকা, বুজিলা? ইয়াকে কোৱা হয় শ্ৰেষ্ঠ ব্ৰাহ্মণ অলৌকিক জীৱন। সদায় মালিক হৈ সৰ্ব শক্তিক কাৰ্যত লগোৱা। যথাশক্তিৰ সলনি সদায় শক্তিশালী হোৱা। অনুৰোধ কৰোঁতা নহয়, সদায় তৃপ্ত হৈ থাকোঁতা হোৱা। বাৰু।

মধুবনলৈ অহাৰ সুযোগতো সকলোৱে পাই আছা নহয়। এই প্ৰাপ্ত হোৱা ভাগ্যক সদায় লগত ৰাখিবা। ভাগ্যবিধাতাক লগত ৰখা অৰ্থাৎ ভাগ্যক লগত ৰখা। তিনিটা মণ্ডলৰ পৰা আহিছে। বেলেগ বেলেগ স্থানৰ 3থন নদী আহি একত্ৰিত হৈছে - ইয়াকেই ত্ৰিবেণী সংগম বুলি কোৱা হয়। বাপদাদাইতো বৰদাতা হৈ সকলোকে বৰদান দিয়ে। বৰদানক কাৰ্যত লগোৱা, সেইটো প্ৰত্যেকৰে নিজৰ ওপৰত। বাৰু।

চাৰিওফালৰ সকলো উত্তৰাধিকাৰ আৰু বৰদানৰ অধিকাৰী শ্ৰেষ্ঠ আত্মাসকলক, সৰ্ব মাষ্টৰ সৰ্বশক্তিমান শ্ৰেষ্ঠ আত্মাসকলক, সদায় সন্তুষ্টিৰ লহৰ বিয়পোৱা সন্তুষ্ট আত্মাসকলক, সদায় পৰমাৰ্থৰ দ্বাৰা ব্যৱহাৰত সিদ্ধি প্ৰাপ্ত কৰোঁতা মহান আত্মাসকলক বাপদাদাৰ স্নেহ আৰু শক্তি সম্পন্ন স্মৰণ আৰু নমস্কাৰ।

"সকলোৰে সহযোগৰ দ্বাৰা সুখময় সংসাৰ" কাৰ্য্যসূচীৰ বিষয়ে - অব্যক্ত বাপদাদাৰ প্ৰেৰণা

এই বিষয়টি এনেকুৱা যে নিজেই সকলোৱে সহযোগ যাচিব। সহযোগেৰে আকৌ সম্বন্ধতো আহিব সেইবাবে নিজেই অৰ্পিত হ'ব। কেৱল শুভভাৱনা, শুভকামনা সম্পন্ন সেৱাত সেৱাধাৰীসকল আগবঢ়া। শুভভাৱনাৰ ফল প্ৰাপ্ত নহ'ব - এয়া হ'বই নোৱাৰে। সেৱাধাৰীসকলৰ শুভভাৱনা, শুভকামনাৰ ধৰণীয়ে সহজে ফল দিয়াৰ নিমিত্ত হ'ব। ফল তৈয়াৰ আছে, কেৱল ধৰণী তৈয়াৰ হোৱাত অলপ দেৰী আছে। ফলতো খৰখেদাকৈ ওলাব কিন্তু তাৰ বাবে যোগ্য ধৰণী লাগে। এতিয়া সেই

ধৰণী তৈয়াৰ হৈ আছে।

এনেয়েতো সেৱা সকলোৰে কৰাৰ আৱশ্যক কিন্তু তথাপিও যি বিশেষ সত্বা আছে, তেওঁলোকৰ মাজৰ পৰা সমীপত অহা নাই। সেৱা ৰাজ্য সত্বাধিকাৰীসকলৰেই হওক বা ধৰ্মৰ সত্বাধিকাৰীসকলৰেই হওক, কিন্তু সহযোগী হৈ সন্মুখত আহক, সময়ত সহযোগী হওক - ইয়াৰ আৱশ্যকতা আছে। ইয়াৰ বাবেতো শক্তিশালী বাণ লগাব লাগিব। দেখা যায় যে শক্তিশালী বাণ সেয়াই হয় য'ত সকলো আত্মাৰে সহযোগৰ ভাৱনা, সুখৰ ভাৱনা, সদ্ভাৱনা থাকে। ইয়াৰ দ্বাৰা সকলো কাৰ্য সহজে সফল হয়। এতিয়া যি সেৱা কৰা সেয়া বেলেগে বেলেগে কৰা। কিন্তু যেতিয়া আগৰ দিনত কোনোবা কাৰ্য কৰিবলৈ গ'লে গোটেই পৰিয়ালৰ আশীৰ্বাদ লৈ গৈছিল। সেই আশীৰ্বাদেই সহজ কৰি দিয়ে। গতিকে বৰ্তমান সেৱাত এইটো সংযোজন কৰিব লাগে। গতিকে কোনো কাৰ্য আৰম্ভ কৰাৰ আগতে সকলোৱে শুভভাৱনা, শুভকামনা লোৱা, সকলোৰে পৰা সন্তুষ্টিৰ বল ভৰোৱা, তেতিয়াহে শক্তিশালী ফল ওলাব। এতিয়া ইমান কষ্ট কৰাৰ আৱশ্যকতা নাই। সকলোৱে ভিতৰৰ পৰা খালী হৈ গৈছে। পৰিশ্ৰম কৰাৰ আৱশ্যকতা নাই। ফুৰাই দিয়া ইয়ালৈকে আহি যাব- এনেকুৱাকৈ ভিতৰৰ পৰা খালী। আৰু আজি-কালিতো সকলোৱে ভাবি আছে যে অন্য কোনো শক্তি লাগে যিয়ে নিয়ন্ত্ৰণ কৰিব পাৰে - ৰাজ্যকেই হওঁক বা ধৰ্মকেই হওঁক। ভিতৰৰ পৰাই বিচাৰি আছে। কেৱল ব্ৰাহ্মণ আত্মাসকলৰ সেৱাৰ বিধিত পাৰ্থক্য থাকিব লাগে, সেয়াই মন্ত্ৰ হৈ যাব। এতিয়াতো মন্ত্ৰ মাতা আৰু সিদ্ধি হওক। 50 বছৰ পৰিশ্ৰম কৰিলা। এই সকলোবোৰো হ'বলগীয়াই আছিল, অনুভৱী হৈ গ'লা। এতিয়া সকলো কাৰ্যতেই এইটো লক্ষ্য ৰাখা যে 'সকলোৰে সহযোগেৰে সফলতা'- ব্ৰাহ্মণসকলৰ বাবে এইটো বিষয় বস্তু। বাকী জগতৰ বাবে বিষয় বস্তু হৈছে- 'সকলোৰে সহযোগত সুখময় সংসাৰ'।

বাৰু। এতিয়াতো তোমালোক সকলোৰে সিদ্ধিৰ প্ৰত্যক্ষ ৰূপ দেখা পোৱা যাব। কোনো মীমাংসা নোহোৱা কাৰ্যও তোমালোকৰ দৃষ্টিৰে, তোমালোকৰ সহযোগেৰে সহজে সমাধা হ'ব যাৰ বাবে ভক্তিত ধন্য ধন্য বুলি আহ্বান কৰিব। এই সকলো সিদ্ধিও তোমালোকৰ ওচৰত প্ৰত্যক্ষ ৰূপত আহিব। কোনো সিদ্ধিৰ ৰীতিৰে তোমালোকে নক'বা যে হয় এয়া হৈ যাব, কিন্তু তোমালোকৰ নিৰ্দেশনাই স্বতঃ সিদ্ধি প্ৰাপ্ত কৰাই থাকিব। তেতিয়াহে প্ৰজা শীঘ্ৰতাৰে তৈয়াৰ হ'ব, সকলো ফালৰ পৰা ওলাই তোমালোকৰ ফালে আহিব। এই সিদ্ধিৰ ভূমিকা এতিয়া চলিব। কিন্তু প্ৰথমতে ইমান শক্তিশালী হোৱা যাতে সিদ্ধিক স্বীকাৰ নকৰা, তেতিয়াহে এই প্ৰত্যক্ষতা হ'ব। নহ'লে, সিদ্ধি দাতাই যদি সিদ্ধিত আৱদ্ধ হৈ যায় তেতিয়া কি কৰিব? গতিকে এই সকলো কথা ইয়াৰ পৰাই আৰম্ভ হ'ব। পিতাৰ যি গায়ন আছে যে তেওঁ চিকিৎসকো (চাৰ্জনো) হয়, অভিযন্তাও (ইঞ্জিনিয়াৰো) হয়, উকীলো হয়, বিচাৰকো (জাজো) হয়, এয়া বাস্তৱত সকলোৱে অনুভৱ কৰিব, তেতিয়া সকলো ফালৰ পৰা বুদ্ধি আঁতৰি এফালে যাব। এতিয়াতো তোমালোকৰ পিচত ভিৰ লাগিব। বাপদাদাইতো এই দৃশ্য চায় আৰু কেতিয়াবা কেতিয়াবা এতিয়াৰ দৃশ্য চায় - বহুত পাৰ্থক্য দেখিবলৈ পায়। তোমালোক কোন হোৱা, সেয়া পিতাই জানে! বহুত বহুত আচৰিত ভূমিকা হ'বলগীয়া আছে, যিটো তোমলোকৰ খেয়াল আৰু সপোনৰো অগোচৰ। কেৱল অলপ ৰৈ আছে বচ্। যিদৰে কেতিয়াবা কেতিয়াবা পৰ্দা অলপ লাগি ধৰে নহয়। পতাকাও উৰুওৱা কেতিয়াবা লাগি ধৰে নহয়। এনেদৰে এতিয়া অলপ অলপ লাগি আছে। তোমালোক যি হোৱা, যেনেকুৱা হোৱা - বহুত মহান হোৱা। যেতিয়া তোমালোকৰ বিশেষত্ব প্ৰত্যক্ষ হ'ব তেতিয়াহে ইষ্ট হ'বা। অৱশেষততো ভক্ত মালাও প্ৰত্যক্ষ হ'ব নহয় জানো, কিন্তু প্ৰথমতে ঠাকুৰ সাজি কাচি তৈয়াৰ হ'লে তেতিয়াহে ভক্ত আহিব। ভাল বাৰু।

বৰদান: নিজৰ আৰামকো ত্যাগ কৰি সেৱা কৰোঁতা সৰ্বদা সন্তুষ্ট, সৰ্বদা হৰ্ষিত হোৱা

সেৱাধাৰীয়ে নিজৰ ৰাতি-দিনৰ আৰামকো ত্যাগ কৰি সেৱাতেই আৰাম অনুভৱ কৰে, তেওঁৰ সম্পৰ্কত থাকোঁতা বা সম্বন্ধত আহোঁতাসকলে সমীপতাৰ এনেকুৱা অনুভৱ কৰে যেন শীতলতা বা শক্তি, শান্তিৰ নিজৰাৰ তলত বহি আছে। শ্ৰেষ্ঠ চৰিত্ৰবান সেৱাধাৰীয়ে কামধেনু হৈ চিৰকালৰ বাবে সকলোৰে মনোকামনা পূৰ্ণ কৰি দিয়ে। এনেকুৱা সেৱাধাৰীৰ সদায় হৰ্ষিত আৰু সদায় সন্তুষ্ট হৈ থকাৰ বৰদান স্বতঃ প্ৰাপ্ত হৈ যায়।

স্লোগান: জ্ঞান স্বৰূপ হ'বলৈ হ'লে সকলো সময়ত পঢ়াৰ প্ৰতি মনযোগ দিয়া, পিতা আৰু পঢ়াৰ প্ৰতি সমান মৰম ৰাখা।

!! ওঁম্ শান্তি !!